**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 05-04-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কলম্বোত শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিশানায়কেৰ সৈতে পাৰস্পৰিক স্বাৰ্থ সম্বলিত বিভিন্ন বিষয়ত আলোচনাত মিলিত হ'ব।

২। কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেলে কয়, যে ভাৰত উদ্ভাৱন আৰু প্ৰযুক্তি খণ্ডত বিশ্বৰ আগশাৰীৰ দেশ হিচাপে আত্মপ্ৰকাশ কৰিবলৈ সাজু হৈছে।

৩। আজি ৰাষ্ট্ৰীয় সামুদ্ৰিক দিৱস। জাহাজ পৰিবহণ উদ্যোগত দেশৰ উল্লেখনীয় অগ্ৰগতিক সুঁৱৰি ভাৰতে আজি ৬২ সংখ্যক ৰাষ্ট্ৰীয় সামুদ্ৰিক দিৱস উদযাপন কৰিব।

৪। নেপালৰ প্ৰধানমন্ত্ৰী কে পি শৰ্মা অলিয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে ফলপ্ৰসু আলোচনাত মিলিত হোৱাৰ কথা প্ৰকাশ কৰিছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা একানা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে মুম্বাই ইণ্ডিয়ানছক ১২ ৰাণত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কলম্বোত শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিশানায়কেৰ সৈতে পাৰস্পৰিক স্বাৰ্থ সম্বলিত বিভিন্ন বিষয়ত আলোচনাত মিলিত হ'ব। দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় কৰাৰ উদ্দেশ্যে শক্তি, বাণিজ্য, যোগাযোগ, প্ৰতিৰক্ষা আৰু ডিজিটেলাইজেচন আদি ক্ষেত্ৰক সামৰি আলোচনা কৰিব। শ্ৰীমোদী তিনিদিনীয়া ভ্ৰমণসূচীৰে কালি সন্ধিয়া দ্বীপৰাষ্ট্ৰখনত উপস্থিত হয়। প্ৰধানমন্ত্ৰীগৰাকীক বন্দৰানায়কে আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত কেইবাগৰাকী জ্যেষ্ঠ মন্ত্ৰীয়ে আদৰণি জনায়। ৰাষ্ট্ৰপতি দিশানায়কে বিগত বৰ্ষৰ ছেপ্তেম্বৰত দায়িত্বভাৰ গ্ৰহণৰ পাছত শ্ৰীমোদী হৈছে শ্ৰীলংকা ভ্ৰমণ কৰা প্ৰথমগৰাকী বিদেশী প্ৰধানমন্ত্ৰী।

প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণকালত ভাৰত আৰু শ্ৰীলংকাৰ মাজত কেইবাখনো চুক্তি স্বাক্ষৰ আৰু বিনিময় হোৱাৰ সম্ভাৱনা আছে।

ooooo

আজি ৰাষ্ট্ৰীয় সামুদ্ৰিক দিৱস। জাহাজ পৰিবহণ উদ্যোগত দেশৰ উল্লেখনীয় অগ্ৰগতিক সুঁৱৰি ভাৰতে আজি ৬২ সংখ্যক ৰাষ্ট্ৰীয় সামুদ্ৰিক দিৱস উদযাপন কৰিব। সামুদ্ৰিক অভিযানৰ গুৰুত্বত আলোকপাত কৰাৰ উপৰি কেইবামাহ ধৰি সমুদ্ৰত সাহসিকতাৰে কৰ্মৰত লোকসকলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশৰ চিন স্বৰূপে প্ৰতিবছৰে ৫ এপ্ৰিলত এই দিৱস উদযাপন কৰা হয়। ৰাষ্ট্ৰীয় সামুদ্ৰিক দিৱসৰ লগত সংগতি ৰাখি ৩০ মাৰ্চৰ পৰা আজি পৰ্যন্ত মাৰ্চেণ্ট নেভী সপ্তাহো পালন কৰা হৈছে। এই দিৱস উপলক্ষে গুজৰাটৰ কাট্ছ্ উপকূলৰ কাণ্ডালা বন্দৰত আজি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ভাৰতৰ সামুদ্ৰিক খণ্ডই দেশৰ বাণিজ্যৰ ক্ষেত্ৰ প্ৰায় ৯৫ শতাংশ পৰিবহণৰ জৰিয়তে ব্যৱসায় আৰু বাণিজ্য ক্ষেত্ৰত গুৰুত্বপূৰ্ণ

সেৰা আগবঢ়াই আহিছে। ১৯১৯ চনৰ পৰা বৰ্তমানলৈকে ভাৰতে সামুদ্ৰিক পৰিবহণৰ ক্ষেত্ৰত নিজৰ স্থিতি সবল কৰি বিশ্বৰ ভিতৰতে ষোড়শ স্থান দখল কৰিবলৈ সমৰ্থ হৈছে। ভাৰতত বৰ্তমান ১২টা মূল বন্দৰ আৰু ৭ হাজাৰ ৫০০ কিলোমিটাৰৰো অধিক উপকূলীয় অঞ্চল আছে।

ooooo

নতুন দিল্লীৰ ভাৰত মণ্ডমপত অনুষ্ঠিত ষ্টাৰ্টআপ মহাকুম্ভৰ দ্বিতীয় সংস্কৰণত বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে কয় যে ভাৰত উদ্ভাৱন আৰু প্ৰযুক্তি খণ্ডত বিশ্বৰ আগশাৰীৰ দেশ হিচাপে আত্মপ্ৰকাশ কৰিবলৈ সাজু হৈছে। তেঁও লগতে কয় যে ভাৰতে উদ্ভাৱনৰ ক্ষেত্ৰত উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে আৰু অতি সোনকালে এই অগ্ৰগতিয়ে গোলকীয় মঞ্চত শক্তিশালী প্ৰভাৱ পেলাব। ষ্টাৰ্টআপ মহাকুম্ভৰ প্ৰশংসা কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে কয় যে বিশ্বই ভাৰতৰ বিশ্বমানৰ কাম প্ৰত্যক্ষ কৰিছে, ষ্টাৰ্টআপসমূহে নিৰ্মাণ কৰা প্ৰযুক্তিগত প্ৰতিৰক্ষা সামগ্ৰীসমূহ অনুষ্ঠানত প্ৰদৰ্শন কৰা হৈছে। উল্লেখযোগ্য যে এইবাৰৰ ষ্টাৰ্টআপ মহাকুম্ভত ৩ হাজাৰৰো অধিক ষ্টাৰ্টআপ, সহস্ৰাধিক বিনিয়োগকাৰী আৰু ৫০ খনতকৈও অধিক দেশৰ প্ৰায় দহ হাজাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি বেংককত বিমষ্টেক শীৰ্ষ সন্মিলনৰ সুযোগতে বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুখ্য উপদেষ্টা মহম্মদ ইউনুছৰ সৈতে এখন চমু বৈঠকত মিলিত হয়। বৈঠকত শ্ৰীমোদীয়ে চুবুৰীয়া দেশখনক এখন গণতান্ত্ৰিক, সুস্থ, শান্তিপূৰ্ণ, প্ৰগতিশীল দেশ হিচাপে গঢ়ি তোলাৰ বাবে সহযোগিতা আগবঢ়াবলৈ ভাৰতে সদায়েই সাজু বুলি বাংলাদেশী নেতাগৰাকীক আশ্বাস দিয়ে। শ্ৰীমোদীয়ে দুয়ো দেশৰ মাজৰ সীমান্তত প্ৰচলিত আইনৰ সঠিক ৰূপায়ণ আৰু সীমান্তইদি অবৈধ অনুপ্ৰবেশ বন্ধ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই বৈঠকৰ বিষয়ে প্ৰকাশ কৰি বৈদেশিক পৰিক্ৰমা সচিব বিক্ৰম মিশ্ৰিয়ে কয় যে প্ৰধানমন্ত্ৰী মোদীয়ে এটা ইতিবাচক দৃষ্টিভঙ্গীৰে বাংলাদেশৰ সৈতে গঠনমূলক সম্পৰ্ক গঢ়ি তোলাৰ বাবে ভাৰতৰ আগ্ৰহৰ কথা পুনৰবাৰ দোহাৰে। চুবুৰীয়া দেশ দুখনৰ মাজৰ সম্পৰ্ক বিঘ্নিত কৰিব পৰা প্ৰৰোচনামূলক বক্তব্য পৰিহাৰ কৰাৰ ওপৰতো প্ৰধানমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। বাংলাদেশ চৰকাৰৰ মুখ্য উপদেষ্টাগৰাকীয়ে পদচ্যুত প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাৰ প্ৰত্যাৰ্পনৰ বিষয়টোও বৈঠকত উত্থাপন কৰে।

উল্লেখযোগ্য যে যোৱা বছৰৰ আগষ্ট মাহত বাংলাদেশৰ তেতিয়াৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনা পদচ্যুত হোৱাৰ পাছত ভাৰতত আশ্ৰয় গ্ৰহণ কৰাৰ পৰৱৰ্তী সময়ছোৱাত ভাৰতৰ সৈতে বাংলাদেশৰ সম্পৰ্কত খুঁট আহে আৰু বাংলাদেশ চৰকাৰৰ বিভিন্ন পক্ষই ভাৰতবিৰোধী মন্তব্য আগবঢ়োৱাৰ ফলত পৰিস্থিতিৰ ক্ৰমাৎ অৱনতি ঘটে।

ooooo

দক্ষিণ-পশ্চিম প্ৰশান্ত মহাসাগৰত অৱস্থিত দ্বীপৰাষ্ট্ৰ পাপুৱা নিউ গিনিৰ নিউ ব্ৰিটেইন উপকূলীয় অঞ্চলত আজি পুৱা ৭ দশমিক ১ প্ৰাব্যলৰ এটা ভূমিকম্পই জোকাৰি যায়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভূতাত্বিক জৰীপে এই ভূমিকম্পৰ অভিকেন্দ্ৰ নিউ ব্ৰিটেইনৰ ৰাজধানী কিম্বেৰ পৰা ১৯৪ কিলোমিটাৰ নিলগত বুলি প্ৰকাশ কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰই দেশখনত ছুনামীৰ সতৰ্কতা জাৰি কৰিছে।

ইপিনে নেপালত কালি নিশা ৫ দশমিক ২ আৰু ৫ দশমিক ৫ প্ৰাবল্যৰ দুটা ভূমিকম্পই জোকাৰি যায়। এই ভূমিকম্পৰ জোকাৰণি উত্তৰ ভাৰতৰ কোনো কোনো অংশতো অনুভূত হয়। ভূমিকম্পত ক্ষয়-ক্ষতিৰ কোনো বাতৰি এতিয়ালৈকে পোৱা হোৱা নাই।

০০০০০

নেপালৰ প্ৰধানমন্ত্ৰী কে পি শৰ্মা অলিয়ে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে অতি ফলপ্ৰসু আলোচনাত মিলিত হোৱাৰ কথা প্ৰকাশ কৰিছে। বেংককত অনুষ্ঠিত ষষ্ঠ BIMSTEC সন্মিলনৰ সুযোগতে দুয়োগৰাকী নেতাই কালি এখন বৈঠকত মিলিত হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত নেপালৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে শ্ৰীমোদীৰ সৈতে হোৱা আলোচনা অতি গঠনমূলক আছিল আৰু দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক তথা আঞ্চলিক সহযোগিতা সুদৃঢ় কৰাৰ ক্ষেত্ৰত নতুন অংশীদাৰ সৃষ্টিত এই আলোচনা অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হ'ব। দুয়োগৰাকী নেতাই ভাৰত-নেপাল সম্পৰ্কৰ বিভিন্ন দিশ সামৰি, বিশেষকৈ শক্তি, যোগাযোগ, সংস্কৃতি আৰু ডিজিটেল প্ৰযুক্তি খণ্ডক লৈ আলোচনা কৰে। তেওঁলোকে লগতে দুৰ্যোগ ব্যৱস্থাপনা আৰু সামুদ্ৰিক পৰিবহণকে ধৰি এইবাৰৰ BIMSTEC সন্মিলনৰ কেতবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত সন্দৰ্ভতো আলোচনা কৰে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি চত্তিশগড়ৰ বাস্তৰ খণ্ডৰ দান্তেৱাৰা জিলাত বাস্তৰ পাণ্ডুম মহোৎসৱৰ সামৰণি অনুষ্ঠানত ভাগ ল'ব। গৃহমন্ত্ৰীগৰাকী কালি দুদিনীয়া চত্তিশগড় ভ্ৰমণসূচীৰে ৰায়পুৰত উপস্থিত হয়। শ্ৰীশ্বাহে আজি ৰায়পুৰত নক্সালবিৰোধী অভিযান সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰিব। তেওঁ লগতে দান্তেৱাৰাৰ মা দান্তেশ্বৰী মন্দিৰ দৰ্শন কৰিব।

০০০০০

হিন্দী চলচ্ছিত্ৰ জগতৰ প্ৰবীণ অভিনেতা-পৰিচালক মনোজ কুমাৰৰ কালি মুম্বাইত দেহাৱসানৰ পাছতেই বলীউডত শোকৰ ছাঁ পৰিছে। এক্সত এটা পোষ্টযোগে বলীউডৰ অভিনেতা অক্ষয় কুমাৰে কয় যে মনোজ কুমাৰ আছিল হিন্দী চলচ্ছিত্ৰ জগতৰ আটাইতকৈ ডাঙৰ সম্পদ আৰু দেশৰ প্ৰতি প্ৰেম আৰু গৌৰৱৰ দৰে অন্য আৱেগ নাই বুলি তেঁওৱেই শিকাইছিল। অভিনেত্ৰী ৰবীনা টণ্ডনেও সামাজিক মাধ্যমৰ এটা পোষ্টযোগে শোক প্ৰকাশ কৰিছে। চলচ্চিত্ৰ নিৰ্মাতা বিবেক ৰঞ্জন অগ্নিহোত্ৰীয়ে কয় যে মনোজ কুমাৰ আছিল ভাৰতৰ প্ৰথমজন দায়বদ্ধ চলচ্চিত্ৰ নিৰ্মাতা আৰু তেঁও ভাৰতীয় চিনেমাক নতুন অৰ্থ প্ৰদান কৰিছিল। চলচ্চিত্ৰ নিৰ্মাতা কৰণ জোহৰে 'ক্ৰান্তি' ছবিখনৰ কথা উল্লেখ কৰি অভিনেতাজনক সোঁৱৰে। বাণিজ্য বিশ্লেষক তৰণ আদৰ্শে মনোজ কুমাৰৰ মৃত্যু এটা যুগৰ অন্ত বুলি কয়।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা একানা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত লক্ষ্ণৌ চুপাৰ জায়েণ্টছে মুম্বাই ইণ্ডিয়ানছক ১২ ৰাণত পৰাস্ত কৰে। মুম্বাই ইণ্ডিয়ানছে ২০৪ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ১৯১ ৰাণহে কৰিবলৈ সমৰ্থ হয়। দলৰ হৈ সূৰ্য কুমাৰ যাদৱে সৰ্বাধিক ৬৭ ৰাণ কৰে। লক্ষ্ণৌৰ হৈ দ্বিগৱেশ সিং ৰাঠি, শাৰ্দুল ঠাকুৰ, আকাশ দীপ আৰু আৱেশ খানে এটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে লক্ষ্ণৌয়ে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত ২০৩ ৰাণ সংগ্ৰহ কৰে। দলটোৰ হৈ মিশ্বেল মাৰ্ছে সৰ্বাধিক ৬০ ৰাণ কৰাৰ লগতে এইডেন মাৰক্ৰমে ৫৩ ৰাণ কৰে। মুম্বাইৰ হৈ হাৰ্দিক পাণ্ডিয়াই ৫টা উইকেট দখল কৰে। দ্বিগৱেশ সিং ৰাঠিক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়। মুম্বাই ইণ্ডিয়ানছৰ প্ৰাক্তন অধিনায়ক ৰোহিত শৰ্মাই আঁঠুৰ আঘাতৰ বাবে প্ৰতিযোগিতাৰ পৰা বাহিৰত আছে।

প্ৰতিযোগিতাত আজি চেন্নাইত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ ডেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন দিনৰ চাৰে ৩ বজাত আৰম্ভ হ'ব। আজি চণ্ডীগড়ত হ'বলগীয়া আন এখন খেলত ৰাজস্থান ৰয়েলছ পাঞ্জাব কিংছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

আই এছ এছ এফ বিশ্বকাপত এছিয়ান গেমছৰ পদক বিজয়ী শ্যুটাৰ চেইন সিঙে কালি আৰ্জেণ্টিনাৰ বুয়েনছ আয়াৰ্ছত ভাৰতৰ হৈ প্ৰথমটো পদক অৰ্জন কৰে। পুৰুষৰ ৫০ মিটাৰ ৰাইফল থ্ৰী শাখাত খেলুৱৈগৰাকীয়ে ৪৪৩.৭ পইণ্ট লাভ কৰি ব্ৰঞ্জৰ পদক লাভ কৰে। প্ৰতিযোগীতাত হাংগেৰীৰ ইষ্টভান পেনিয়ে ৪৬১ পইণ্টেৰে সোণৰ পদক লাভ কৰে আৰু চীনৰ টিয়ান জিয়ামিঙে ৪৫৮.৮ পইণ্টেৰে ৰূপৰ পদক লাভ কৰে। ইয়াৰ পূৰ্বে দুবাৰৰ অলিম্পিক পদক বিজয়ী ঐশ্বৰী প্ৰতাপ সিং টোমাৰ, নিৰাজ কুমাৰ আৰু ৰিঅ' অলিম্পিয়ান চেইনে ফাইনেলৰ বাবে যোগ্যতা অৰ্জন কৰিছিল।

০০০০০

কেৰালাত ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা এন আই এয়ে আৰ এছ এছ নেতা কে এছ শ্ৰীনিবাসনৰ হত্যাকাণ্ডৰ সৈতে জড়িত মূল অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। ২০২২ চনৰ এপ্ৰিল মাহত কেৰেলাৰ পালাক্কাডত এই হত্যাকাণডটো সংঘটিত হৈছিল। মালাপ্পুৰমৰ মাঞ্জেৰীৰ বাসিন্দা ছামনাদ ইল্লিককে যোৱা তিনি বছৰ ধৰি পলাতক হৈ আছিল। এন আই এ পলাতক অৱস্থাত থকা অভিযুক্তজনক কোচিৰ পৰা গ্ৰেপ্তাৰ কৰে। ইতিমধ্যে এই গোচৰৰ সৈতে জড়িত ৬৩ জন অভিযুক্তৰ বিৰুদ্ধে এন আই এয়ে অভিযোগনামা দাখিল কৰিছে।

০০০০০

সমাপ্ত